# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 18-08-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ওৰাং আৰু ওদালগুৰিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে। ইউ পি পি এল দলে আজি চিৰাং জিলাৰ অন্তৰ্গত চিৰাং দুৱাৰ আৰু কাজলগাওঁ পৰিষদীয় সমষ্টি সামৰি এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। বি টি চি প্ৰধান প্ৰমোদ বড়োৰ নেতৃত্বত কাজলগাওঁ বজাৰৰ পৰা সম্প্ৰীতিৰ বড়োলেণ্ডৰ বাবে পদযাত্ৰা নামেৰে প্ৰায় ৮ সহস্ৰাধিক সমৰ্থক আৰু দলীয় কৰ্মীয়ে এটা সমদলো উলিয়ায়। নিজৰ ভাষণত শ্ৰীবড়োৱে কয়, যে বিটিআৰৰ ৰাইজে এতিয়া ৰাজনীতিত ইউ পি পি এল মোডেল গ্ৰহণ কৰিছে; য'ত বড়ো, অনা বড়োৰ কোনো ধাৰণা নাই। প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীক উদ্দেশ্য কৰি কয় যে মহিলাৰীয়ে বিগত ৫ বছৰত এদিনো পৰিষদীয় অধিবেশনত উপস্থিত নাথাকিল। ইয়াৰ দ্বাৰা তেওঁ বিটিআৰৰ ৩৫ লাখ ৰাইজক প্ৰতাৰণা কৰিছে। আজিৰ এই সভাত ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ লগতে আন আন শীৰ্ষ নেতাসকলো উপস্থিত থাকে।

ইপিনে বাক্সা জিলাৰ মুছলপুৰত আজি বিপিএফৰ আশীৰ্বাদ সমদলত হাগ্ৰামা মহিলাৰীয়ে অংশগ্ৰহণ কৰে। সমদলৰ অন্তত কেইবাশহস্ৰাধিক বিপিএফ কৰ্মীৰ উপস্থিতিত এখন বিশাল জনসভাত অংশগ্ৰহণৰ পিছতে শ্ৰীমহিলাৰীয়ে সাংবাদিকৰ আগত কয় যে মুছলপুৰ জিলাৰ অন্তৰ্গত বাগানপাৰা, মুছলপুৰ, দিহিৰা, কোকোলাবাৰী পৰিষদীয় সমষ্টিত বি পি এফ দল নিশ্চিতভাৱে জয়ী হ'ব। আগন্তুক পৰিষদীয় নিৰ্বাচনত বি পি এফে সংখ্যাগৰিষ্ঠ আসন লাভ কৰিব বুলি হাগ্ৰামা মহিলাৰীয়ে ব্যক্ত কৰে।

০০০০০

উৰিয়ামঘাটৰ উচ্ছেদৰ সম্পৰ্কত আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে এক গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱচৌধুৰী খণ্ড বিচাৰপীঠে প্ৰদান কৰা ৰায় অনুসৰি ৰাজ্যৰ সংৰক্ষিত বনাঞ্চল আৰু বনভূমিসমূহত অবৈধ দখল ৰোধৰ বাবে ৰাজ্য চৰকাৰে এক ব্যৱস্থা গঢ়ি তুলিব লাগিব। এইক্ষেত্ৰত বনাঞ্চলত সুৰুঙা থকা স্থানসমূহত কাটাতাঁৰৰ বেৰা দিয়া, বনাঞ্চলৰ প্ৰৱেশ পথত তালাচী চলোৱা আৰু কাৰ্যক্ষম তালাচী চকী স্থাপন কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশনাটোত উল্লেখ কৰে। ন্যায়ালয়ে আৰু কয়, যে বনাঞ্চলসমূহ দখলমুক্ত কৰি ৰখাটো অতিকৈ প্ৰয়োজনীয় আৰু যদি কোনো বন বিষয়া এই ক্ষেত্ৰত জড়িত হয়, তেন্তে চৰকাৰে সেই বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। দখলকাৰীক উচ্ছেদৰ জাননীৰ ক্ষেত্ৰত ন্যায়ালয়ে কয় যে প্ৰথমে দখলকাৰীলৈ ১৫ দিনৰ সময় দি উচ্ছেদৰ জাননী জাৰি কৰিব লাগিব আৰু ইয়াৰ পিছত স্থান খালী কৰাৰ বাবে পুনৰ ১৫ দিনৰ সময় দিব লাগিব।

০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নৱজাতকৰ বাবে থকা আই চি ইউত বিছনাৰ পৰা পৰি কালি এটি নৱজাতকৰ মৃত্যু হোৱাৰ লগতে আন এটি নৱজাতক গুৰুতৰভাৱে আহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে কালি বিয়লি এটি নৱজাতক বিছনাৰ পৰা পৰি যোৱাৰ লগতে আন এটি ফটো থেৰাপি মেচিনত ওলমি ৰয়। এগৰাকী মহিলাই এই ঘটনা প্ৰত্যক্ষ কৰি দায়িত্বত থকা চিকিৎসক আৰু নাৰ্ছক খবৰ দিয়াত দুয়োটা নৱজাতকক উদ্ধাৰ কৰা হয় যদিও এটি শিশুৰ মৃত্যু হয়। মৃত শিশুটিৰ যোৱা ১৫ আগষ্টত হাস্পতালখনত জন্ম হৈছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাৰ তদন্তৰ বাবে গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তক নিৰ্দেশ দিছে। তেওঁ লগতে হাস্পতাল কৰ্তৃপক্ষক ততালিকে চি চি টিভি ফুটেজ পৰীক্ষা কৰিবলৈ আৰু এখন তদন্ত সমিতি গঠন কৰি ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিছে। সমিতিখনত অতিৰিক্ত মুখ্য সচিব চুইটি চেমচন, স্বাস্থ্য শিক্ষা সঞ্চালক ডাঃ অনুপ বৰ্মন আৰু এইমছৰ শিশুৰোগ বিভাগৰ মুৰববীক অন্তৰ্ভুক্ত কৰা হৈছে। খন্তেক সময়ৰ আগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ  ঘটনাৰ বুজ লয়। এই ঘটনাত দোষী সাব্যস্ত লোকক কঠোৰ শাস্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে।

ooooo

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি লোকসভাত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰে।  ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান অৰ্থাত আই আই এম গুৱাহাটীক ৰাষ্ট্ৰীয় গুৰুত্বৰ প্ৰতিষ্ঠানসমূহৰ সূচীত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে এই বিধেয়কখন উত্থাপন কৰা হৈছে।

আমাৰ পূৰ্বৰ বাতৰিতে কোৱা হৈছে যে, কেন্দ্ৰীয় মন্ত্ৰীসভাই গুৱাহাটীত আই আই এম স্থাপনৰ বাবে যোৱা ১২ আগষ্টত অনুমোদন জনায়। এই প্ৰতিষ্ঠানটো উত্তৰ-পূবৰ দ্বিতীয় আৰু দেশৰ ২২ সংখ্যক আই আই এম হিচাপে পৰিগণিত হ'ব। এই প্ৰতিষ্ঠানটো নিৰ্মাণত ৫০০ কোটি টকাৰো অধিক ধন ব্যয় কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰিছে। এই পদক্ষেপে গুৱাহাটীত উত্তৰ-পূবৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

ooooo

অসম বেডমিণ্টন সন্থাই অহা ২০ৰ পৰা ৩০ আগষ্টলৈ ৰাজ্যৰ চাৰিখন জিলাত অস্মিতা চিটী বেডমিণ্টন লীগৰ আয়োজন কৰিছে। সন্থাৰ সম্পাদক ওমৰ ৰছিদে আজি সংবাদ মাধ্যমক এই বিষয়ে অৱগত কৰে। প্ৰতিযোগিতাৰ খেলসমূহ গুৱাহাটী, শিৱসাগৰ, যোৰহাট আৰু ডিব্ৰুগড়ত খেলোৱা হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া মন্ত্ৰালয়ে দেশত মহিলা খেলুৱৈসকলৰ প্ৰতিভা বিকাশ আৰু উত্তৰণৰ লক্ষ্যৰে অস্মিতা আঁচনি গ্ৰহণ কৰি বিভিন্ন ক্ৰীড়া ক্ষেত্ৰৰ প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এইবাৰৰ প্ৰতিযোগিতাত ছোৱালীৰ ১৫, ১৭ আৰু ১৯ বছৰ অনূৰ্ধৰ একক শাখাৰ খেলসমূহ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ সূচী অনুসৰি ২০ৰ পৰা ২২ আগষ্টলৈ গুৱাহাটীত, ২৪ৰ পৰা ২৬ আগষ্টলৈ শিৱসাগৰত, ২৬ৰ পৰা ২৮ আগষ্টলৈ যোৰহাটত আৰু ২৮ৰ পৰা ৩০ আগষ্টলৈ ডিব্ৰুগড়ত অস্মিতা চিটী বেডমিণ্টন লীগৰ খেলসমূহ খেলোৱা হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ